লৌহিত্য সাহিত্য সেতু : সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ : ১, সংখ্যা : ১, জুলাই-ডিচেম্বৰ, ২০২০

# অগ্নিস্নানৰ চিত্ৰনাট্য : এক অৱলোকন

গীতালী শইকীয়া

ঘোঁৰা বাগী এখন গৈ থকা মহীকান্তৰ চুবুৰীৰ ৰাস্তাৰ ইমেইজেৰে অগ্নিস্নানৰ চিত্ৰনাট্যৰ আৰম্ভণি ঘটিছে । চুবুৰীটোৰ প্ৰতিঘৰ মানুহৰ পদূলিতে মানুহৰ জুম । বিশেষকৈ তিৰোতা মানুহে জুম বান্ধিছেহি । এইটো Shot No - 1 । ল'ৰা- ছোৱালী কেইটামানে দৌৰিছে । চিত্ৰনাট্যতে নিৰ্দেশনা দিয়া আছে- 'সম্ভৱ হ'লে Long trolley shot ।' নহ'লে প্ৰথমতে Long shot এটাৰ পিছত এটা এটাকৈ ল'ৰা-ছোৱালীৰ দলবোৰ দেখুওৱা হৈছে । মদনক হাত কেৰেয়া লগাই চিপাহী এটাই ধৰি নিছে । সেয়েহে চুবুৰীটোত এটা চেপা উত্তেজনাই বিৰাজ কৰাৰ দৃশ্য কিছুমান Close up, Middle shot আৰু Long shot ৰ জৰিয়তে দেখুৱাই কাহিনীৰ আৰম্ভণিতে কেতবোৰ ঘটিবলগীয়া ঘটনা আগলি বতৰাৰ ৰূপত চিত্ৰনাট্যখনত সন্নিৱিষ্ট কৰিছে ।

ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ 'অগ্নিস্নান'। অগ্নিস্নান- 'জুইত কৰা স্নান' আক্ষৰিক অৰ্থ । সীতাই পোনপটীয়াকৈ অগ্নিৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লগা হৈছিল । পিতৃপ্ৰধান সমাজ এখনত এগৰাকী নাৰীয়ে কঠিন প্ৰত্যাহ্বান গ্ৰহণ কৰি অতিশয় কঠিন পৰিস্থিতিত নিজৰ সৈতে, পৰিস্থিতি পৰিৱেশৰ সৈতে কঠোৰতম সিদ্ধান্ত লৈ জীয়াই থকাৰ কাহিনী অগ্নিস্নান । অগ্নিময় পৰিস্থিতিৰ মাজেৰে পাৰ হৈ অহা কঠিন । সেইদৰে অগ্নি সদৃশ পৰিস্থিতিৰ সৃষ্টি কৰি নিজে বাচি অহাও কঠিন । চিনেমাখনত মেনকাই অগ্নিৰ মাজেৰে গতি কৰিছে, অগ্নিময় পৰিস্থিতিৰ সৃষ্টিও কৰিছে । 'অগ্নিস্নান' কৰিবলৈ আহৰণ কৰা সাহসে পিতৃতন্ত্ৰৰ ভেঁটি কঁপাই তুলিছে । অগ্নিস্নান এক কঠোৰ প্ৰতিবাদৰ কাহিনী ।

চিত্ৰনাট্যখনৰ আৰম্ভণিতে অগ্নিসদৃশ পৰিস্থিতিৰ একো ভূ- পোৱা নাযায় । প্ৰতিবাদৰ এটা ক্ষীণ ছবি আৰম্ভণিতে ফুটি উঠিছে- ক্লজ আপত দেখা যায়- 'এটা ল'ৰাই সৰু ল'ৰা এটাক লেং মাৰি পেলাই থৈ গুচি গ'ল। সৰু ল'ৰাটোৱে কান্দে। ওচৰতে থকা দলি এটা হাতত লৈ সি উঠে, খঙেৰে দৌৰে'।

মদনৰ মাক আতুৰ হৈ সোমায় । সমগ্ৰ চিনেমাখনতে বিয়পি আছে এই আতুৰতা । এই আতুৰতাই কাহিনীটোত এটা গতিৰ সঞ্চাৰ কৰিছে। ভিজুৱেল ইমেইজৰ সঠিক প্ৰদৰ্শনেৰে কাহিনীক ক্লাইমেক্স ক্ৰাইছিছৰ ৰুদ্ধশ্বাস গতিলৈ লৈ গৈছে । গাওঁবোৰত জধে- মধে চোৰ এটাক ধৰি নিয়াতো এটা সচৰাচৰ দেখা ঘটনা । য'তে চুৰি কাৰ্য সংঘটিত নহওক, দুটামান ফাঁকিমৰা মানুহক পুলিচে ধৰি লৈ যায় । এই মদন চোৰেই পিচৰ নাটকীয় সংঘাতৰ কেন্দ্ৰীয় চৰিত্ৰ হ'বগৈ । মদন চোৰৰ কথাকে চুবুৰীটোত আলোচনা হৈ

থাকে । মহীকান্তৰ বাগীখন আহি থাকে । মহীকান্তৰ চকুত বিৰক্তিৰ চাৱনি ।

দুই নম্বৰ লোকেশ্যনটো মহীকান্তৰ ঘৰ পদূলিমুখ। মহীকান্ত শক্তিৰ প্ৰতীক । ঘোঁৰাবাগী, ঘৰ, লগুৱা- লিকচৌৰ মাজেৰে মহীকান্তই শক্তি প্ৰদৰ্শন কৰিছে । Long shot ত দেখুৱায় মদনৰ মাক আতুৰ হৈ মহীকান্তৰ ওচৰলৈ আহে, আৰু মহীকান্তক কাবৌ- কোকালি কৰে মদনক উলিয়াই আনিবলৈ । দেখা গ'ল যে–দ্বিতীয় দৃশ্যটোও মদন চোৰকেন্দ্ৰিক । মদনৰ মাকে মহীকান্তক কয়– ‘‘সি চুৰ কৰা নাই অ' বোপাই'' । মেনকা সোমাই আহে। তেতিয়ালৈকে মেনকা মহীকান্তৰ আদৰৰ একমাত্ৰ পত্নী । মহীকান্তৰ ওচৰত দ্বিধাহীন । সংকোচ নকৰি মহীকান্তক মেনকাই অনুৰোধ জনায়- ‘মদনৰ খবৰ এটা লৈ আহকগৈ যাওক। মহীকান্তই মেনকাৰ কথা পেলাব নোৱাৰি গোমোৰা মুখেৰে বাগীত বহে । Long Shot ত গাড়ী চলি যোৱা বুজাবলৈ কেমেৰা Track কৰে।

তাৰ পিছৰ দৃশ্যসমূহত মহীকান্তৰ প্ৰতাপ, মহীকান্তৰ মেজাজ, মহীকান্তৰ শক্তি প্ৰদৰ্শনকাৰী মিলটোৰ Visual image দেখা যায় । মহীকান্তই শোৱনী কোঠাত মদ আৰু মাংস খায় । দেখা যায় যে মহীকান্ত চাৰিত্ৰিকভাৱে এক আদৰ্শ চৰিত্ৰ নহয়– এইকেইটা দৃশ্যত মেনকা এগৰাকী আদৰ্শ ৰমণী । পত্নী পতিব্ৰতা নাৰী । এইটো দৃশ্যত একে সময়তে দেখা যাব মহীকান্তৰ ল'ৰা- ছোৱালী ইন্দ্ৰ, মণি, ৰমাহঁতৰ সুখী এখন নিজস্ব পৃথিৱী আছে ।

মহীকান্তই মদ আৰু মাংস খাই থকাৰ মাজতে মেনকাক মাতি আনি দেউকিলালৰ মাংস লৈ আপত্তি দৰ্শায় । আপত্তিৰ ধৰণ কৰণত শক্তিমন্তৰ সুৰ- ‘‘তাক দেউকিলাল কৈ দিবা, কিবা খং উঠিব- তাকে কলঘৰত বলি দিম বাপ্পেকে''। এইটো দৃশ্যতে সমান্তৰালভাৱে মেনকাৰ ল'ৰা- ছোৱালী কেইটাৰ চিন্তাহীন আনন্দময় জীৱন পুনৰ দেখুৱায় । ৰমা আৰু মণিৰ হাঁহি শুনি দূৰ কাঁটা কম্পাছেৰে কিবা আঁকি থকা ইন্দ্ৰই কয়- ‘‘বেছি হাঁহিলে বিপদ হয় বুইছ?" কথাষাৰে যেন পিছৰ ঘটনা প্ৰৱাহৰ এটা ইঙ্গিত বহন কৰিছে । মহীকান্তৰ শোৱা কোঠাতো মদনৰ প্ৰসঙ্গকে ওলাইছে বাৰে বাৰে । মহীকান্তই মেনকাৰ আগত মদনক আৰু জেলৰ পৰা উলিয়াই আনিব নোৱৰাৰ কথা ব্যক্ত কৰিছে । মেনকা মহীকান্তৰ এই সময়ৰ সঁচা সম্পৰ্কৰে গঢ় লোৱা ঘৰখনৰ পৰিৱেশ সম্পূৰ্ণ বেলেগ । মহীকান্ত মেনকাৰ ওপৰত নিৰ্ভৰশীল । মেনকাৰ কথা পেলাব নোৱৰা মহীকান্তই এইটো দৃশ্যতে কয়- ‘‘নক'বা, তুমি আৰু মোক সেইটো কাম কৰিবলৈ নক'বা । তুমি কিবা এটা কৰিবলৈ ক'লে মই নকৰাকৈ থাকিব নোৱাৰোঁ, বুইছা ?'' এইখিনিলৈকে দেখা গ'ল, ভালেমান পাৰ্শ্ব চৰিত্ৰৰ লগত মেনকা, মহীকান্ত, মদন চোৰ, এই তিনিটা মূল চৰিত্ৰৰ সম্বন্ধ, তেওঁলোকৰ স্বভাৱ চৰিত্ৰ, তেওঁলোকৰ শ্ৰেণী চৰিত্ৰ আটাইবোৰ স্পষ্টকৈ উপস্থাপন হৈছে । মহীকান্ত ধনী, প্ৰতিপত্তিশালী অহংকাৰী । মেনকাৰ ঘৰৰ পৰিধি ঘৰখন, স্বামী শুশ্ৰূষা, ল'ৰা- ছোৱালীৰ আউল মৰা । আৰু মদৰ নিচাত অহংকাৰী, ধনৰ ধনী মানুহজনৰ দায়িত্বজ্ঞানহীন আচৰণ ভিজুৱেল ইমেইজত সুন্দৰকৈ ফুটাই তুলিছে । মেনকা দায়িত্বশীল গৃহিনী । লাহে লাহে মদন কেন্দ্ৰিক বিভিন্ন মত অভিমত আলাপৰ লগে লগে, মেনকাৰ

নিৰাপদ চৌপাশৰ লেহেমীয়া গতিৰ উপস্থাপনৰ লগে লগে মেনকাৰ মৰমীয়াল চৰিত্ৰও প্ৰকাশ পায় । তেওঁ মদনৰ মাকক কানি কিনিবলৈ পইচা দিয়ে । মহীকান্তৰ দৰে প্ৰতাপী মানুহ এজনো ঠগ প্ৰৱঞ্চকৰ কবলত পৰাৰ অন্য এটি উপ কাহিনীও এইটো অংকত দেখুওৱা হৈছে । মহীকান্তৰ বিশ্বাসী ভজহৰিয়ে মহীকান্তৰ অপকাৰ কৰিবলৈ চেষ্টা কৰা দেখা গৈছে । প্ৰবল প্ৰতাপী হ'লেও নিজেও নিৰাপদ নহয় । মদনৰ চোৰ স্বভাৱ এৰুৱাবলৈ ভদ্ৰই যৎপৰোনাস্তি চেষ্টা কৰে ।

মহীকান্ত গাঁৱলৈ গৈ কিৰণক লগ পায় । বাগীখন চলি যোৱাৰ যি দৃশ্য - দীঘলীয়াকৈ ক্ৰমে সৰু হৈ [tilt down] অসমান ৰাস্তাটো; ঘোঁৰা বাগী আহি আছে। ক্লু'জআপত ঘোঁৰা বাগী । এইটো দৃশ্যতে কাহিনীয়ে অন্যফালে পাক লয় । গছ–গছনি ওভোতা ফালে গৈ আছে । ঘোঁৰা বাগী আগবাঢ়িছে । গাঁৱৰ সেউজীয়া শোভা, সৰল–সহজ পৰিৱেশৰ মাজত ঘোঁৰা বাগীখনৰ আগমণ এক কৌতুহল উদ্দীপক, এক ধৰণৰ উত্তেজনা সৃষ্টিকাৰী ঘটনা । গাঁৱৰ আলিবাটৰ মূৰত কলহ আৰু হাতত লোটা লৈ পানী অনাৰ দৃশ্য। কিৰণক লং শ্বটত দেখা যাব । কিৰণৰ কাষত চৰিয়া, পীৰা আৰু লোটা । গাঁও এখনৰ চিত্ৰ এইয়া । চিৰাচৰিত এখন ছবি । কিৰণ আৰু ল'ৰা এটা গৈ থকা অৱস্থাতে মহীকান্ত আৰু ভজহৰিয়ে লগ পায় । এই লগ পোৱাই মেনকাৰ অগ্নিস্নানৰ পূৰ্বৰংগৰ পূৰ্বানুমান দিয়ে । আতৰ অনাৰ কথা কয় ভজহৰিক । চোলাৰ আস্তিন শুঙি লয় । আতৰৰ উপস্থিতি, মহীকান্তৰ চৌপাশৰ ৰমণীয় পৰিৱেশে মহীকান্তক চঞ্চল কৰি তোলে । এনেয়ে মদগৰ্বী, কৰ্ত্তব্যজ্ঞানৰহিত মহীকান্ত কিৰণৰ প্ৰতি আকৰ্ষিত হয় । ঘোঁৰা বাগীৰ জোকাৰণিৰ লগে লগে মহীকান্তৰ মনৰ জোকাৰণি Visual Image-য়েৰে দেখুৱায় । চিত্ৰনাট্য এখনৰ আৰম্ভণিৰ অংক এটাত থাকিবলগীয়া প্ৰায়বোৰ উপকৰণ এই সামান্যভাৱে দীঘল অংকটোত থকাৰ উপৰিও কাহিনীৰ মাজত ছাচপেন্সৰ সৃষ্টি কৰি দৰ্শকৰ মাজত কৌতুহলৰ সৃষ্টি কৰণত চিত্ৰনাট্যখন সফল হৈছে ।

নাটকীয় কাহিনীয়ে কৌতুহল আৰু উত্তেজনাৰ শীৰ্ষত আৰোহণ কৰিছে মহীকান্তৰ চিঞৰেৰে । কিবাকৈ মেনকাৰ খবৰটো মহীকান্তই পায় । মহীকান্তই জানে মেনকাৰ সন্তানৰ পিতৃ তেওঁ নহয় । নানান সন্দেহ– শংকাই মহীকান্তক ব্যতিব্যস্ত কৰি তোলে- কোন হ'ব পাৰে এই সন্তানৰ পিতৃ? এই সময়ত মহীকান্তৰ অস্থিৰতা প্ৰকাশক কিছু দৃশ্যৰ অৱতাৰণা কৰা হৈছে । মেনকাই কিৰণক কোনো সময়তে দুব্যৰ্ৱহাৰ কৰা নাই । তাই যেতিয়া শাহুয়েকৰ খবৰ ল'বলৈ ওলাইছে । সেই সময়ত কিৰণ মাকৰ ঘৰৰ পৰা আহি ওলাইছে । 'পঞ্চামৃত খালোনে' বুলি কিৰণৰ খবৰ লয় মেনকাই । মেনকাৰ প্ৰতিবাদৰ অন্য এটি দৃশ্য সংযোজন হয় ঘোঁৰাবাগী বিচৰাৰ সময়ত মেনকাই দেউকিলালক সাধুৰ বাগীখন আনিবলৈ কয় । ইতিমধ্যে চমৰুৰ বাগী এৰি মেনকাই সাধুৰ বাগীখন নিজাববীয়াকৈ বিচাৰে । মেনকাৰ অগ্নিস্নানৰ এইবোৰ একো একোটা পৰ্ব । zoom in, zoom back, middle shot, long shot আৰু বিভিন্ন কৌণিক দূৰত্বত মেনকাক বিচনাত দীঘল দি পৰি থকা অৱস্থান, বিভিন্ন শাৰিৰীক অংগী– ভংগী আৰু শৰীৰ সঞ্চালন । Body Language ৰ মাজেৰে মেনকাৰ মনৰ জগতখনৰ খবৰ ইমেইজ বিলাকত

দেখুৱাবলৈ নিৰ্দ্দেশনা আছে । শাহুয়েকৰ খবৰ ল’বলৈ সাধুৰ বাগীত যায় । মহীকান্তৰ ওচৰত কোনো কাৰণতে আত্মসমৰ্পণ কৰিবলৈ মেনকা সাজু নহয় । নাদৰ পাৰত তাইক সাৱটি ধৰা মহীকান্তৰ পৰা এৰা খাই মেনকা দৌৰি আঁতৰি যায় । কদৰ্য ৰূপ এটাত মহীকান্তক উপস্থাপন কৰিবলৈ ক্লজআপত মহীকান্তৰ ৰূপ দেখুওৱা হৈছে । সেই দুৰ্দান্ত প্ৰতাপী মহীকান্তৰ চকুত ধূলি দি ৰাতি ৰাতি মদনৰ লগত অভিসাৰৰ দৃশ্য কেমেৰাৰে দেখুওৱা হয় । বাঁহৰ কেৰকেৰণি, ঠাণ্ডা বতাহ সিহঁত দুয়োটাৰে মনৰ ভিতৰখন প্ৰকট কৰিছে । মেনকাই এটা অৱলম্বন বিচাৰে । ল’ৰা- ছোৱালী কেইটাক মানুহ কৰিবলৈ তাইক এটা অৱলম্বন লাগে- ‘‘সিহঁত আটাইকেইটাক ডাঙৰ কৰিবলৈ মোৰ এজন নিজৰ মানুহ লাগে । একেবাৰে নিজৰ মানুহ ।’’ পিছৰ এটা দৃশ্যত দেখা গ’ল মহীকান্তৰ জেপৰ পৰা ওলাই পৰা বেগটো, যিটো বেগ ভজহৰিয়ে লৈ গৈছিল সেইটোৰ চোৰ ধৰিছে মেনকাক । মেনকাই ফোঁপাই-ফোঁপাই চাবি কোচা মহীকান্তলৈ দলিয়াই দি প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ দৃশ্য সুন্দৰকৈ সংযোগ কৰা হৈছে ।

সীতা, সাৱিত্ৰীৰ আদৰ্শেৰে নাৰীক নিৰ্মাণ কৰিব বিচৰা সমাজ এখনত মহীকান্তৰ পৌৰুষত্বৰ ওপৰত চৰম আঘাত মেনকাৰ গৰ্ভাৱস্থা । খবৰটো পোৱাৰে পৰা সি অস্থিৰ। নিজৰ যুক্তিৰে পুৰুষে দহজনী বিয়া কৰাব পাৰে, তিৰোতাই নোৱাৰে । সঁচা কথাটো কাকো ক’বও নোৱাৰে । কাহিনীৰ পৰিহাস এয়ে যে- মদন চোৰকে মহীকান্তই কয় ‘তই ডাঙৰ চোৰ ধৰিব লাগিব’।

আৰম্ভণিতে দেখুওৱা মদন চোৰৰ দৃশ্য, পুলিচে ধৰি লৈ যোৱা, মহীকান্তই মোকলাই অনা- এক পৰিহাস [Irony]- লৈ পৰিণত কৰি শেষত নাটকীয় সংঘাতক সাৱলীলভাৱে ঘটিবলৈ সুযোগ এটা আনি দিছে । মদন চোৰৰ চুৰিৰ অভিজ্ঞতাৰ আলমতে মহীকান্তই ডাঙৰ চোৰ ধৰিবলৈ মদনক পাচিছে- মহীকান্তই নাজানে- মদন আৰু মেনকাৰ গোপন সম্পৰ্কৰ কথা । কৌতুহল আৰু উৎকণ্ঠাৰ সৃষ্টি কৰি মহীকান্ত মেনকাৰ সংসাৰৰ পৰৱৰ্তী পৰ্যায়লৈ আগ্ৰহ উপজোৱাত সফল হৈছে । পিচৰ দৃশ্যত দেখা যায় ধানকল- মহীকান্তৰ ধানকল । ‘ধানকলৰ মালিক’ এই শব্দ দুটাৰেই চিনাকি মহীকান্তৰ । ধানকলৰ তীব্ৰ গৰ্জনৰ মাজত তামোল চূণ খাই আছে ।

বিভিন্ন খবৰৰ উৎস ৰেৱতীয়ে মেনকাক বিভিন্ন বতৰা দি দু-অনা এটা কানি কিনিবলৈ বিচাৰি নিয়ে । মেনকাৰ ভাৱমূৰ্তি চাৰিত্ৰিক [Personality] গাম্ভীৰ্য, ষ্টেটাচ তথা মানুহে কৰা মন্তব্য সকলো ৰেৱতীৰ মুখেৰে প্ৰকাশ পায়– ‘‘তোৰ কথা কোনোবাই এবাৰমান বেয়াকৈ কওকচোন, সিহঁতৰ মুখ থেতালি পেলাম । যাওঁ দে- [Trolly] আৰু মই থেতালিব নেলাগেই নহয়, তোৰ কথা এষাৰ বেয়াকৈ ক’ব, লগে লগে তাৰ জিভাখন খহি পৰিব ।’’ একেটা দৃশ্যতে এটা প্ৰতীকধৰ্মী দৃশ্যৰো অৱতাৰণা কৰা হৈছে। দীনই পতা চিটিকাখনৰ প্ৰসংগ । কিৰণ মোক ফাকত পতা চিটিকা । ফুলৰ সম্পৰ্কীয় কাহিনীটোতো এই চৰাই চিটিকাৰে অংশ, চিপাহী এটা ফুলৰ ঘৰ সোমোৱাৰ কথা লৈ হুলস্থূল চলিছিল- মহীকান্তৰ ব্যাখ্যা ‘‘কিনো ডাঙৰ কথা, নহয় জানো, এইবাৰ সি ভিতৰ সোমালে ওলাবলৈকে নিদিবি বুইছ !’’ [হাঁহে] সেইদৰে দীনই বনোৱা চিলা আৰু মেনকাই চিলা এখন লৈ ঠিক কৰি মণিক দিয়া দৃশ্যই

আন কেতবোৰ ঘটনাৰ পূৰ্বানুমান আনি দিয়ে । ইতিমধ্যে, “দেউতা আজিও গাঁৱলৈ গ'ল নেকি মা”? কিৰণ আৰু মহীকান্তৰ পুনৰ লগালগি হোৱাৰ এটা সম্ভাৱনাৰ কথা এইটো দৃশ্যতে উনুকিওৱা দেখা যায় । পিচৰ দৃশ্যটোত মহীকান্তই কিৰণৰ বাপেকক পইচা দিয়াৰ দৃশ্য Visual Image ত দেখুৱাই থকা হয় ।

সংঘাতৰ আৰম্ভণি ঘটে। ৰেৱতীয়ে মেনকাক মহীকান্তৰ বিয়াৰ বতৰা দিয়ে– “ইয়াৰ বিয়াৰ কথা? কাৰ ? ইয়াৰ, এই মহীকান্তৰ । ই মহীকান্তই বোলে আকৌ বিয়া কৰাবলৈ ওলাইছে, তই শুনা নাই ?” মেনকাক ক্লʼজ আপত দেখুওৱা হয় । ইতিমধ্যে মেনকাই গম পায় যে গাঁওখনত ইঠাইৰ পৰা সিঠাইলৈ ইখনৰ পৰা সিখন মুখলৈ কথাটো বাগৰি ফুৰিছে। মেনকাই বিশ্বাস কৰিব পৰা নাই । ইমান বিশ্বাসৰ মৰমৰ মানুহজনৰ অবিশ্বাস । এই সৰগ ভাগি পৰাৰ দৰে ঘটনাটোক তাই বিশ্বাস কৰা নাই । ‘‘মানুহবোৰে [ৰৈ যায়] মিছাকৈ কৈছে বা ?’’ হঠাৎ ব্ৰজপাত পৰাৰ দৰে থৰ লগা মেনকা । বাৰাণ্ডাৰ ৰেলিঙত পৰি থকা চৰতীয়াটোৱে স্পন্দনহীন নিথৰ অৱস্থাটোকে বুজাইছে । তাৰ পিছৰ মেনকা অস্থিৰ । চৰিয়া এটাৰ পৰা চিৰা ঢালিবলৈ লয়, আকৌ ৰৈ যায় । অস্থিৰতা প্ৰকাশক ভালেমান কথাৰ অৱতাৰণা কৰা হৈছে- ইন্দ্ৰক তৎক্ষণাতে ভজহৰিক মতাৰ কথা কয়, আকৌ সিদ্ধান্ত সলাই দেউকিলালক মতাৰ কথা কয়, কাঁইট বাচি ভাত খুৱাই থকা মণিক হঠাতে বুকুলৈ চপাই আনে, যেন এক অৱলম্বন বিচাৰি মেনকাই হাহাকাৰ কৰি আছে । মনৰ ভাৱ প্ৰকাশক কেইবাটাও দৃশ্য এইটো অংকত সংযোজন কৰিছে । মেনকাই ইতিমধ্যে মহীকান্তক গুৰুত্ব নিদিয়াকৈ আঁতৰি ফুৰিবলৈ লৈছে । মহীকান্তৰ চকুত কথাটো ধৰা পৰিছে । চোতালৰ মাজেদি মহীকান্ত লাহে লাহে আগফাললৈ যায়গৈ । অলপ পৰ শূন্য চোতাল । কেৱল গোসাঁই ঘৰৰ মাটিৰ চাকিটো জ্বলি থাকে। মহীকান্তৰ মতে আৰু এগৰাকী বিয়া কৰোৱাটো একো ডাঙৰ কথা নহয় ।

মহীকান্তৰ বাবে গৰু এজনী ঘৰখনত বঢ়া আৰু মানুহ এজনী বঢ়াৰ মাজত কোনো পাৰ্থক্য নাই । মেনকাই ইতিমধ্যে বিভিন্ন ধৰণে প্ৰতিবাদ কৰা আৰম্ভ কৰিছে। তাইক কাষলৈ চপাই নিব খোজা মহীকান্তক ঠেলা মাৰি আঁতৰাই পঠাইছে । ইয়াৰ পিছৰ দৃশ্যাংশত ফুলেৰে সকলো দিশ সজোৱা হৈছে, কোনোৱে আকৌ মগুমাহ দলিছে । কোনো প্ৰতিবাদ কাৰো কথালৈ কাণ নিদি মহীকান্তই কিৰণক ঘৰ সোমাইহি । মহীকান্তই মেনকাক সোধে- ‘‘তুমি এইবোৰৰ একোতে হাত নিদিওঁ বুলি ঠিক কৰি লৈছা নেকি?’’-

মেনকা- ‘‘দিম । কিয় নিদিম ? দৰা ধুৱাবলৈ মাহ, হালধি পিহি দিম । ঘট ধৰিম । ঘাটত পানী তুলিবলৈ পাম’’- তীব্ৰ শ্লেষ আৰু ব্যঙ্গ । কিছুমান বিক্ষিপ্ত দৃশ্যৰ মাজেৰে মেনকাৰ মনৰ অৱস্থাক বুজোৱা হৈছে । মেনকাই আলমাৰী এটা ঠেলি কোঠা এটাৰ দুৱাৰখন খুলে ।

পিতৃতান্ত্ৰিক সমাজত নাৰীক সুধি [চৰুক সুধি চাউল বঢ়োৱা?] সিদ্ধান্ত লোৱাৰ প্ৰয়োজন অনুভৱ নকৰে । সেয়ে, মেনকা আৰু কিৰণৰ এটা অন্তৰঙ্গ দৃশ্যত মেনকাই বিয়াখন কেনেকৈ হʼল সেই কথা কিৰণৰ মুখেৰে শুনিছে । ‘‘তোমাৰ মন আছে নে নাই কোনেও নুসুধিলে?... এখেতসকলে ধৰিছে; বিয়াৰ খৰচ পাতি দিছে, পিতাইক ধান

মাহ কিনিবলৈ পইচা দিছে,” সেয়ে দুখীয়া দেউতাকে দায় সাৰিছে ।

চৰম দুৰ্দ্দশাত পৰা মেনকাই ল’ৰা- ছোৱালীৰ খবৰ ঠিকেই ৰাখে- ইন্দ্ৰক মৰম কৰি সি কৰা কামবোৰৰ পৰা বিৰত ৰাখিবলৈ যত্ন কৰে । মণিক খুৱাবলৈ পায়স সিজায় । কিন্তু মহীকান্তৰ লগত শাৰিৰীক সম্পৰ্ক নোহোৱা কৰি পেলায় । কিৰণৰ সন্তান হয় । মেনকাৰ প্ৰতি সহানুভূতিশীল মদন চোৰৰ লগত শাৰিৰীক সম্পৰ্ক স্থাপন কৰি মেনকাও মাতৃ হ’বলৈ ওলায় । উপকাহিনীবোৰে মূল কাহিনীক সাৱলীল ভাৱে আগবাঢ়ি যোৱাত সহায় কৰিছে । সমাজ এখনত ঘটি থকা বা পৰিয়ালকেন্দ্ৰিক ঘটনা, সমস্যা, প্ৰেম, যৌনতাৰ লগত পিতৃতান্ত্ৰিক দমন নিষ্পেষণ [Patriarchal domination] আৰু পিতৃতান্ত্ৰিকতাই সৃষ্টি কৰা পুৰুষৰ হাতত কেন্দ্ৰীভূত ক্ষমতাক আঙুলি টোঁৱাই ক্ষত বিক্ষত কৰিবলৈ যিবোৰ উপকাহিনীৰ প্ৰয়োজন, আটাইবোৰ উপকাহিনী সংযোজিত হৈছে নিখুঁতভাৱে । মেনকাই আনৰ কাম কৰা ছোৱালী এজনী বিচৰাই আনিছে । [তাই গম পাইছে গৰ্ভৱতী অৱস্থাত ছোৱালী এজনীৰ প্ৰয়োজন হ’ব] পিছত গম পোৱা যাব এইজনী ছোৱালীকে কাম বন শিকাই বুজাই মদনৰ লগত বিয়া পাতি দিব । উপকাহিনীবোৰে মূল কাহিনীৰ ব্যঞ্জনাত গভীৰতা প্ৰদান কৰিছে। এখন ঘৰুৱা ড্ৰামা [Family Drama] ক সামাজিক চিনেমাৰ ৰূপ দিছে- ঘৰ এখনত যিমানবোৰ ঘটনা ঘটি থাকে, সমাজ এখনৰ মাজত থাকি এখন প্ৰতিপত্তিশালী ঘৰত ঘটা ঘটনাৰে সামাজিক চিনেমাৰ ৰূপ দিছে ।

মদন মেনকাৰ ৰাতিৰ গোপন সম্বন্ধৰ আৰম্ভণিৰ পিছতে দেখা যায় মহীকান্তৰ মাক যোগেশ্বৰী ঢুকাইছে । উপকাহিনীটোৱে মেনেকাৰ চৰিত্ৰৰ আনকেতবোৰ বিষয় পোহৰলৈ আনিছে । তেনেকুৱা সময়তো মেনকাই নিজৰ সিদ্ধান্ত সলনি কৰা নাই । চমৰুৰ বাগীত নুঠি সাধুৰ বাগীত উঠি গৈছে । উৎকণ্ঠা আৰু উত্তেজনাৰ সৃষ্টি কৰি সকামৰ পিছদিনৰ দৃশ্য অৱতাৰণা হৈছে । প্ৰথমাদ্ধৰ্ত মেনকা মহীকান্তৰ চৰিত্ৰৰ ওচৰত ম্লান পৰিছিল । পিছৰ অংশত মহীকান্ত বিৱৰ্ণ, মেনকাই প্ৰতিশোধ ল’বলৈ সিদ্ধান্ত লোৱাৰ পিছৰে পৰা সবল আৰু শক্তিশালী ৰূপত উপস্থাপন কৰা হৈছে । মেনকাই মহীকান্তৰ কথা আৰু সিদ্ধান্তৰ বিৰোধিতা কৰা, মহীকান্তক এৰাই চলাৰ লগে লগে সংঘাতৰ পৰিণতি আৰু দুয়োটা চৰিত্ৰৰ চাৰিত্ৰিক বৈপৰীত্যই ঘটনাৰ অগ্ৰগতিত সহায় কৰাৰ লগে লগে চৰিত্ৰবোৰৰ বিকাশতো সহায় কৰিছে । মূল চৰিত্ৰ কেইটাৰ বিকাশৰ [Round Character] লগে লগে কাহিনীত নাটকীয় উৎকণ্ঠা বাঢ়ি গৈ আছে ।

মেনকাৰ মনৰ অন্তৰ্দ্বন্দ্বত যে প্ৰকাশ পোৱা নাই এনে নহয় । শেষৰ ফালে এটা দৃশ্যত য’ত মেনকাই মদনক আৰু খবৰ নিদিলে নহাৰ কথা কৈছে তাত কান্দি কান্দি কৈছে- “মইতো এনে কৰিম বুলি ভবা নাছিলো- মই কেনে ঘৰৰ ছোৱালী তুমি নাজানা, কিয় এনে কৰিলো ।” তাৰ পিছত পুনৰ সংযত হয় । নিজৰ কামৰ যুক্তি বিচাৰি পায় আৰু মহীকান্তৰ আগত সেই যুক্তিকে দোহাৰে ।

মেনকাৰ উপৰিও মদন, ভদ্ৰকান্ত, ইন্দ্ৰ প্ৰতিবাদী চৰিত্ৰ । ভদ্ৰকান্তই মহীকান্তৰ কামবোৰৰ বিৰোধিতা কৰে । মদনে কয়- সেই সময়ত সি যদি জেলত নাথাকিলহেঁতেন । মদনে কিৰণক অনাৰ সময়ৰ কথা কয় । ফ্লেছ-বেকত মাজে মাজে ঘটি

যোৱা ঘটনাবোৰ দেখুৱায় । সমাজখন এনেধৰণে দেখুওৱা হৈছে যে বেছিভাগ চৰিত্ৰই মেনকাৰ পক্ষতে । মহীকান্তৰ কৰ্মৰ বিৰোধিতা কৰিলেও প্ৰতিবাদ নকৰে । তেওঁলোকৰ দুইত নাও দুই ভৰি অৱস্থা । মহীকান্তৰ প্ৰতাপৰ ওচৰত ভায়েক ভদ্ৰকান্ত, দেউতাক ঘনকান্ত অসহায় । ৰেৱতীয়েও আহি মহীকান্তৰ ঘৰত ভৰি নোহোৱাৰ কথা ক'লেও সমাজখনে লাগি- ভাগিয়ে মহীকান্তৰ দ্বিতীয় বিবাহ পাতে ।

দয়াৰাম সমাজখনৰে কণ্ঠ- “এইবোৰকে মনত ৰাখিবি- স্বামীৰ দুখত দুখ, সুখত সুখ । তিৰোতাৰ ধৰ্ম । সীতাই কি কৰিলে ? সাৱিত্ৰীয়ে কি কৰিলে? সেইবোৰ মনত পেলাবি।” মেনকাই উত্তৰত কয়,- “মোৰ গাতে যেতিয়া বমি কৰি দিয়ে তেতিয়াও মই মনত ৰাখিছিলো । মোক যেতিয়া মদ কটিয়াই খুৱাই দিয়ে, তেতিয়াও মই মনত ৰাখিছিলো ।” একেখন ঘৰতে মহীকান্ত কিৰণৰ ৰাত্ৰি যাপন, হাঁহি খিকিন্দালিৰ সমান্তৰালভাৱে মেনকাৰ অসহায় কান্দোন, কষ্ট, মনৰ মাজত চলি থকা ধুমুহাৰ বাস্তৱ উপস্থাপন বিভিন্ন দৃশ্য, ইমেইজ আৰু চলচ্চিত্ৰৰ ভাষাৰে ছবিখনত ফুটাই তুলিবলৈ যত্নৰ ত্ৰুটি কৰা নাই ।

কলঘৰলৈ যাওঁতেও মেনকা বেলেগ এখন বাগীত যায় । কলঘৰত মেনকাক সোধে-কথাবোৰৰ সত্যাসত্য । মেনকাই সঁচা বুলি যি যুক্তি দাঙি ধৰিছে সেইটো অতি শক্তিশালী সংলাপ । “আপোনাৰ চাৰিটা ল'ৰা- ছোৱালী, পাঁচটা হ'ল । শেষৰ কেঁচুৱাটোৰ মাক মই নহওঁ । এতিয়া ছটা হ'ব- এইটোৰ বাপেক আপুনি নহয় । কিন্তু সকলোৱে জানিব- আমি মিলেৰে আছো । মোকো আপুনি ঘৈণীয়েক বুলি লৈ আছে- ভালহে কথা । এতিয়া মানুহে আপোনাক সেই বদনাম নিদিয়ে । আপুনি এদিনো মোৰ কাষ চপা নাই বুলি ক'বলৈ সাহ আছে যদি কৈ ফুৰকগৈ । সকলোকে কৈ ফুৰক । ফুৰক গৈ । নকয়গৈ কিয় ? কিৰণক নকয় কিয় ? কিয় কলঘৰলৈ মাতি আনি লুকুৱাই লুকুৱাই সুধিছে ।” মেনকাই তিলতিলকৈ কথাবোৰ বুজাব বিচাৰি এটা সন্তানৰ মাতৃ হোৱাৰ সিদ্ধান্ত ল'লে আৰু মদনৰ বাবে ছোৱালী এজনী শিকাই বুজাই বিয়াত বহিবলৈ শপত লোৱালে । 'মই কিয় অকলে সহি থাকিম ? সহি থাকিলে মোৰ কি লাভ হ'ব ? “সীতা হ'বলৈ ৰামো থাকিব লাগে তেহে ।” কলঘৰত তলমূৰ মহীকান্ত অসহায়-বিমৰ্ষ । মেনকাই ফঁহিয়াই ফঁহিয়াই কৈ যায় । মেচিনৰ কৰ্কশ শব্দকো তল পেলাই পিতৃতন্ত্ৰক বৃদ্ধাঙুলি দেখুৱাই মেনকা মেচিনৰ কিনাৰেদি ওলাই যোৱাৰ দৃশ্যই দৰ্শকক ভবাই তুলিবলৈ বাধ্য কৰে । বীভৎস, বিৱৰ্ণ মহীকান্তক কলঘৰতে এৰি মেনকা বাগীত উঠেগৈ ।

নাৰীয়ে সদায় পুৰুষৰ আদেশ মানি, সমাজৰ ৰীতি-নীতি পৰম্পৰা মানি সতী সাধ্বী হৈয়ে থাকিবনে, প্ৰয়োজন হ'লে অগ্নিত প্ৰৱেশ কৰি নিজৰ পথেৰে জীৱন উদ্‌যাপন কৰিব ? প্ৰতিশোধ ল'বনে? প্ৰতিশোধ লোৱাৰ ধৰণটো শুদ্ধ নে অশুদ্ধ এইবোৰ প্ৰশ্ন দৰ্শকলৈ এৰি দি বলিষ্ঠ সংলাপেৰে শক্তিশালী চৰিত্ৰ উপস্থাপন কৰিছে মেনকাৰ মাজেৰে । কলঘৰ আৰু ঘোঁৰা বাগী দুয়োটাই পুৰুষতন্ত্ৰৰ ক্ষমতাৰ [Power] ৰ প্ৰতীক । অথচ ক্ষমতাৰ স্তৰ দুটা ওলট- পালট হৈ গৈছে । কলঘৰ চলাবলৈ মেনকা আগবাঢ়ি আহিছে, ঘোঁৰা বাগী এখন মেনকাই

নিজাকৈ ঠিক কৰি লৈছে, মহীকান্তৰ ঘোঁৰাবাগীত উঠিবলৈ অস্বীকাৰ কৰিছে মেনকাই ।

মেনকা, মহীকান্ত আৰু মদন বা ইন্দ্ৰৰ দৈহিক অভিব্যক্তি, চকুৰ চাৱনি, মুখৰ ভঙ্গিমা, কাৰ্য, বিভিন্ন সময়ত মূল কাহিনীৰ মাজৰ সময়ৰ ব্যৱধান [gap of space and time] বুজাবলৈ বিভিন্ন ধৰণে Visual image ব্যৱহৃত হৈছে । ঘৰত চুৰ কৰিবলৈ ইন্দ্ৰই ঘৰৰ দুৱাৰ মদন চোৰক খুলি দিছে- কাৰ্যটোৱে মদন- মেনকা সম্পৰ্কৰ এটা ব্যঞ্জনা দাঙি ধৰিছে । মনৰ জগতত ঘটি থকা বিভিন্ন অনুসংগ দৃশ্যবোৰ সুন্দৰকৈ ফুটাই তুলিছে । চিত্ৰনাট্যখন সকলো ফালৰ পৰা নিখুঁত, সবল আৰু এখন শক্তিশালী চিত্ৰনাট্য ।

**যোগাযোগৰ ঠিকনা:**

গুৱাহাটী, অসম